জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১৫/২০২১

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত অসম লোক সেৱা অধিকাৰ ৱেব-প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰিলে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে

## ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি সংযোগী আন এখন দলঙত অনুমোদন জনাইছে কেন্দ্ৰীয় চৰকাৰে ঃ নিৰ্মলা সীতাৰমণ

## ৱেব-প'ৰ্টেল হৈছে সময় সাপেক্ষ ৰাজহুৱা সেৱা তথা জনসাধাৰণৰ উন্নয়নৰ কাৰ্যসূচীলৈ অনা এক শক্তিশালী মাধ্যম ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ অক্টোবৰ ঃ** এদিনীয়া ভ্ৰমণসূচীলৈ অসমলৈ অহা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ঘোষণা কৰে যে ব্ৰহ্মপুত্ৰৰ ওপৰত ৩০৯৪ কোটি টকা ব্যয় সাপেক্ষে পলাশবাৰী আৰু শুৱালকুছি সংযোগী আন এখন দলং নিৰ্মাণৰ বাবে তেওঁৰ মন্ত্ৰণালয়ে অনুমোদন জনাইছে।

আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম লোকসেৱা অধিকাৰ ৱেব-প'ৰ্টেল মুকলি কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰ সংযোগী নতুন দলং নিৰ্মাণ হৈ উঠিলে জনসাধাৰণ বাৰুকৈয়ে উপকৃত হ'ব পাৰিব। তেওঁ লগতে কয় যে এই দলংখন নিৰ্মাণ হৈ উঠাৰ লগে লগে উত্তৰ পাৰৰ নলবাৰী, বৰপেটা, বাক্সা ইত্যাদি জিলাসমূহৰ জনসাধাৰণৰ গুৱাহাটীলৈ দূৰত্ব আৰু ভ্ৰমণৰ সময়ো হ্ৰাস পাব।

বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে অসমত বিভিন্ন বহুপাক্ষিক প্ৰকল্পৰ পৰিকল্পনা আৰু কাৰ্যকৰণৰ মানদণ্ডত তেওঁ বাৰুকৈয়ে প্ৰভাৱিত হৈছে। তেওঁ কয় যে যোৱা চাৰে চাৰি মাহত ৰূপায়িত হৈ থকা আন্তঃগাঁথনি প্ৰকল্পসমূহে ৰাজ্যখনৰ উন্নয়নৰ হাৰ ত্বৰান্বিত কৰিছে। কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে আন্তঃগাঁথনি শক্তিশালীকৰণৰ দিশত অগ্ৰাধিকাৰ প্ৰদান কৰিছে বুলি উল্লেখ কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে ২০২১-২২ বৰ্ষৰ বাজেটত আন্তঃগাঁথনি প্ৰকল্পৰ বাবে ৩৪ শতাংশ পুঁজি আবণ্টন কৰা হৈছে। তেওঁ কয় যে অসমে যিদৰে বিভিন্ন বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ পৰিকল্পনা আৰু কাৰ্যকৰণৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে ইয়ে ৰাজ্যখনক নিশ্চিতভাৱে দেশৰ অন্যান্য উন্নত ৰাজ্যসমূহৰ সৈতে সমানে আগুৱাই যাবলৈ সক্ষম হ'ব।

তেওঁ কয় যে ক'ভিড অতিমাৰীৰ পিছত জনসাধাৰণ আৰু অৰ্থনৈতিক ব্যৱস্থাটোৰ উত্তৰণ সাধন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যিবোৰ পুনৰুজ্জীৱিত পেকেজৰ পৰিকল্পনা কৰিছে সেইসমূহে বহনক্ষম আৰু দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব। বিকাশৰ প্ৰক্ৰিয়াটো অব্যাহত ৰখাৰ বাবে উন্নয়নমূলক পদক্ষেপসমূহ কিদৰে পৰিকল্পনা কৰা উচিত সেয়া অসমে প্ৰতীয়মান কৰিছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

অসম লোক সেৱা অধিকাৰ ৱেব-প'ৰ্টেল মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই সেৱাই জনসাধাৰণক সুযোগ প্ৰদান কৰাৰ লগতে তেওঁলোকক উন্নয়নৰ মূল বিষয়টোৰ ওচৰলৈ অনাত সহায় কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকীও ৰাজ্যিক কেবিনেট মন্ত্ৰীৰ উপস্থিতিত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ ওপৰত আয়োজিত এখন প্ৰদৰ্শনীও উদ্বোধন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আজিৰ দিনটো এক উল্লেখযোগ্য দিন হিচাপে পৰিগণিত হৈছে। অসম লোকসেৱা অধিকাৰ ৱেব-প'ৰ্টেল মুকলিৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ন্যূনতম চৰকাৰ অধিকতম প্ৰশাসনৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে অধিসূচীত ৰাজহুৱা সেৱাৰ ৱেব-প'ৰ্টেল www.rtps.assam.gov.in ৰ জৰিয়তে আমাৰ শাসন ব্যৱস্থাক জনসাধাৰণ ওচৰলৈ লৈ যোৱাৰ দিশত বৃহৎ বৰঙণি যোগাব। এই ৱেব-প'ৰ্টেল বৈদ্যুতিন মাধ্যমেৰে জনসাধাৰণক প্ৰদান কৰিব অধিসূচীত ৰাজহুৱা সেৱা। তেওঁ লগতে কয় যে এই সেৱাই ৰাজহুৱা সেৱাক অধিক শক্তিশালী কৰি তোলাৰ লগতে সকলোকে উন্নয়নৰ কাৰ্যসূচীত সামৰি ল'ব পাৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ২০১২ চনতে লোকসেৱা অধিকাৰ আইন শুভাৰম্ভ কৰা হৈছিল যদিও কেতবোৰ বাধাৰ বাবে এই সেৱাৰ দ্বাৰা জনসাধাৰণক সম্পূৰ্ণ ৰূপে সেৱা আগবঢ়াব পৰা হোৱা নাছিল। এই সেৱা অধিক দ্ৰুত আৰু জনমুখী কৰাৰ বাবে চৰকাৰে তথ্য প্ৰযুক্তিৰ মাধ্যমেৰে আগবাঢ়ি যোৱাৰ বাবে সিদ্ধান্ত লৈছিল। দ্ৰুত পৰিৱৰ্তনশীল বিশ্বৰ সৈতে সংগতি ৰাখি শাসন ব্যৱস্থাটোক অধিক দ্ৰুত, কাৰ্যকৰী আৰু স্থিতিস্থাপক সংস্কাৰ অনাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথাও মুখ্যমন্ত্ৰীয়ে দোহাৰে। এই ৱেব-প'ৰ্টেলটোৱে জনসাধাৰণক অধিসূচীত ৰাজহুৱা সেৱা প্ৰদানৰ দিশত কাৰ্যকৰী হিচাপে প্ৰমাণিত হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই সেৱাই ৰাজ্যখনৰ জনসাধাৰণক ঘৰ অথবা ৰাজহুৱা সুবিধা কেন্দ্ৰৰ পৰা অতি সহজে ৰাজহুৱা সেৱা লাভ কৰাৰ ক্ষমতা প্ৰদান কৰিব আৰু ইয়াৰ জৰিয়তে চৰকাৰী সেৱাৰ সুবিধা লাভ কৰাৰ লগতে সময়ো লাঘৱ হ'ব।

প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দ্বাৰা আয়োজিত এই ৱেব-প'ৰ্টেল শুভাৰম্ভণি অনুষ্ঠানত ৰাজ্যৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব জিষ্ণু বৰুৱাৰ উপৰি আন উচ্চপদস্থ চৰকাৰী বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**০৭-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in